## ড্ৰাগছ-মদৰ প্ৰচলন বন্ধ-নাৰীদেহৰ বেহা উৎখাত-পদপথ মোকলোৱাৰ দাবী

# দহ সংগঠনৰ প্ৰতিবাদত উত্তাল গণেশগুৰি

### ১৫ দিনৰ ভিতৰত কঠোৰ ব্যৱস্থা গ্ৰহণৰ সময়সীমা বান্ধি জিলা আয়ুক্তলৈ স্মাৰকপত্ৰ প্ৰেৰণ ■ দোকান-পোহাৰ বন্ধ ৰাখি ব্যৱসায়ীৰ বিক্ষোভ ■ প্ৰতিবাদকাৰীক আৰক্ষীৰ বাধা



প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ১৪ জুলাই ঃ ৰাজধানী দিছপুৰৰ পদুলিস্বৰূপ গণেশগুৰিত এটা বৃহৎ দুষ্ট চক্ৰই প্ৰতিদিনে উচ্ছৃংখল-ব্যভিচাৰ-অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰি আহিছে। এই চক্ৰটোৰ এনে কাৰ্যকলাপত বৃহত্তৰ গণেশগুৰি অঞ্চলৰ পৰিবেশ বিঘ্নিত হৈছে। ইয়াৰ মাজতে আকৌ চক্ৰটোৱে পৰিকল্পিতভাৱে গণেশগুৰিত চলাই গৈছে নাৰীদেহৰ বেহা। সমান্তৰালকৈ বৃদ্ধি পাইছে ড্ৰাগছ-মদৰ আড্ডা। এনেদৰে বৃদ্ধি পোৱা কাৰ্যকলাপে বৃহত্তৰ গণেশগুৰি অঞ্চলৰ পৰিবেশ-পৰিস্থিতি বিঘ্নিত কৰাত ক্ষোভত ফাটি পৰিছে দল-সংগঠন-ৰাইজ। ইয়াৰ প্ৰতিবাদস্বৰূপে আজি বৃহত্তৰ অঞ্চলটোৰ দহটাকৈ দল-সংগঠনে গণেশগুৰি বিহুতলী ৰংগমঞ্চত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰি এই ধৰণৰ কাৰ্যকলাপ শীঘ্ৰে বন্ধৰ দাবী উত্থাপন কৰিছে। এয়াই নহয় আজিৰ এই ৰাজহুৱা সভাত উপস্থিত থকা গ্ৰেটাৰ গণেশগুৰি চেম্বাৰ অব্ কমাৰ্চ, দিছপুৰ বাৰোৱাৰী পূজা সমিতি আৰু জ্যোতি কলা কেন্দ্ৰ, গণেশগুৰি নাগৰিক মঞ্চ, গণেশগুৰি ক্ৰীড়া আৰু সাংস্কৃতিক যুৱ মঞ্চ, গণেশগুৰি ৰঙালী বিহু সন্মিলন, গণেশগুৰি কমাৰ্চিয়েল এছ'চিয়েচন, দিছপুৰ ছাত্ৰ সন্থা, দিছপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা, বৃহত্তৰ গণেশগুৰি মহিলা সমিতি আৰু দিছপুৰ কছাৰী বস্তি বড়ো মহিলা সমিতিয়ে বৃহৎ এই চক্ৰটোৰ এনে কাৰ্যকলাপ শীঘ্ৰে বন্ধৰ দাবীত কামৰূপ মহানগৰ জিলা আয়ুক্তলৈ এখন আঠটা দাবী সন্নিৱিষ্ট স্মাৰকপত্ৰ প্ৰেৰণ কৰে। আজি দুপৰীয়াৰ ভাগত এনে উচ্ছৃংখল পৰিস্থিতি ৰোধৰ দাবীত অনুষ্ঠিত ৰাজহুৱা সভাত সভাপতিত্ব কৰে গণেশগুৰি ৰঙালী বিহু সন্মিলনৰ সভাপতি ৰূপেশ্বৰ ঠাকুৰীয়া বড়োৱে। ৰূপেশ্বৰ ঠাকুৰীয়া বড়োৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত দিছপুৰ বাৰোৱাৰী পূজা সমিতি আৰু জ্যোতি কলাকেন্দ্ৰৰ সভাপতি দ্বিজেন্দ্ৰ মোহন ডেকা, গণেশগুৰি নাগৰিক মঞ্চৰ সাধাৰণ সম্পাদক সিদ্ধাৰ্থ শংকৰ দাস, গ্ৰেটাৰ গণেশগুৰি চেম্বাৰ অব কমাৰ্চৰ সম্পাদক নিৰঞ্জন কাকতি, দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাকে ধৰি আটাইকেইটা দল-সংগঠনৰ নেতা-কৰ্মীসকলে ভাষণ দি শীঘ্ৰে গণেশগুৰিৰ ফুটব্ৰীজৰ তলৰ নাৰীদেহ ব্যৱসায় উৎখাত কৰা, গণেশগুৰিতে নহয় ইয়াৰ সমীপৱৰ্তী অঞ্চলৰ ক্ৰমবৰ্ধিত মদ-ড্ৰাগছৰ অবাধ প্ৰচলন বন্ধ কৰা আৰু গণেশগুৰিসহ ইয়াৰ দাঁতিকাষৰীয়া স্থানৰ পদপথৰ অবৈধ ব্যৱসায় উচ্ছেদ কৰি পথচাৰীৰ বাবে সুচল যাতায়াত ব্যৱস্থা কৰাৰ দাবী উত্থাপন কৰে। আজিৰ সভাই সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত গ্ৰহণ কৰে। গৃহীত সিদ্ধান্তসমূহ স্মাৰকপত্ৰ আকাৰে জিলা আয়ুক্তলৈ প্ৰেৰণ কৰি আগত পোন্ধৰদিনৰ ভিতৰত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। অন্যথা এই দহ দল-সংগঠনে গণেশগুৰিৰ উচ্ছৃংখল, ব্যভিচাৰ পৰিবেশ নিৰ্মূলৰ বাবে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি আজিৰ সভাত হুংকাৰ দিয়ে। ইয়াৰ পিচত সভাত উপস্থিত থকা দল-সংগঠনৰ নেতা-কৰ্মীসকলৰ লগতে শতাধিক লোকে হাতে হাতে উল্লিখিত দাবী সম্বলিত প্লেকাৰ্ড লৈ ৰাজপথলৈ ওলাই আহে। প্ৰতিবাদকাৰীসকলে গণেশগুৰিত নাৰীদেহৰ বেহা শীঘ্ৰে বন্ধ কৰা, ড্ৰাগছৰ প্ৰচলন বন্ধ কৰা, আৰক্ষী-প্ৰশাসনে এনে কাৰ্যত জড়িতক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰক আদি ধ্বনি দি উত্তাল পৰিবেশৰ সৃষ্টি কৰে। এনেদৰে গণেশগুৰি বিহুতলী ৰংগমঞ্চৰ সভাস্থলীৰ পৰা ওলাই অহা প্ৰতিবাদকাৰীসকলক দিছপুৰ আৰক্ষীয়ে বাধা প্ৰদান কৰাত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। আজিৰ এই সভাত ভাষণ প্ৰসংগত দ্বিজেন্দ্ৰ মোহন ডেকাই আৰ পি ৰোড আৰু জি এছ ৰোড সংযোগী নলাটো এচামে বন্ধ কৰাৰ বাবে বৃহত্তৰ অঞ্চলটোৰ বৰষুণ-বৰ্জিত পানী সৰবৰাহত বাধাৰ সৃষ্টি হোৱা বুলি উল্লেখ কৰে। তেওঁ এই নলাটোৰ ওপৰত কোনোৱে কংক্ৰিটৰ দোকান গঢ়ি ৰমৰমীয়া ব্যৱসায় চলাই যোৱাৰ পিচতো আৰক্ষী-প্ৰশাসনৰ লগতে গুৱাহাটী পৌৰ নিগম, লোকনিৰ্মাণে ব্যৱস্থা গ্ৰহণ নকৰাটো ৰহস্যজনক আখ্যা দিয়ে। উল্লেখ্য যে শেহতীয়াকৈ বিশেষকৈ নিশাৰ ভাগত গণেশগুৰি অঞ্চলৰ কেইবাখনো বাৰৰ পৰা টেঁটুলৈকে সুৰাপান কৰি ওলাই অহা এচাম উচ্ছৃংখল যুৱক-যুৱতীয়ে অঞ্চলটোৰ পৰিবেশ-পৰিস্থিতি বিঘ্নিত কৰাৰ অভিযোগ উঠিছিল। আনকি ইয়াৰ বাবে স্থানীয় ৰাইজে হাতে হাতে লাঠি লৈ এই চক্ৰটোক খেদি পঠিয়াই অঞ্চলটোত শান্তি স্থাপনৰ বাবে ওলাই আহিবলৈ বাধ্য হৈছিল। এনেদৰে গণেশগুৰিত ক্ৰমাৎ এক অৰাজক পৰিস্থিতিৰ সৃষ্টি হোৱাৰ সময়তে আজি এই দল-সংগঠনে এনে প্ৰতিবাদী কাৰ্যসূচীৰে প্ৰশাসন-আৰক্ষীক বিষয়টোত কঠোৰ পদক্ষেপ ল'বলৈ সকীয়াই দিছে। এয়াই নহয় গণেশগুৰি অঞ্চলৰ নিশাৰ ভাগৰ উচ্ছৃংখল-অসামাজিক কাৰ্য ৰোধ কৰা, পদপথৰ 'বেদখল শীঘ্ৰে উচ্ছেদ কৰি পথচাৰীৰ যাতায়াত সুচল কৰাৰ দাবীত আজি গণেশগুৰিত দিনৰ এঘাৰ বজাৰ পৰা এক বজাপৰ্যন্ত ব্যৱসায়ীসকলে স্বতঃস্ফূৰ্তভাৱে দোকান-পোহাৰ বন্ধ ৰাখিও প্ৰতিবাদ সাব্যস্ত কৰে।